# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**-------------------**

ooooo

ষষ্ঠীত প্ৰতিষ্ঠা কৰা শক্তিৰূপিনী দেৱী দুৰ্গাক আজি বিজয়া দশমীত যথাবিহিত ৰীতি-নীতিৰে বিসৰ্জন দিয়া হৈছে। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

প্ৰতিকুল বতৰৰ মাজতে **গুৱাহাটী** মহানগৰীৰ পাঁচটাকৈ ঘাটত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি লাচিত ঘাট, পাণ্ডু ঘাট, চুণচালিকে ধৰি পাঁচটা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘব কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে লাচিত ঘাট আৰু পাণ্ডু ঘাটত আজি আৰু কাইলৈ প্ৰতিমাসমূহ বিসৰ্জন দিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**শিৱসাগৰ** জিলাৰ থানামুখ অঞ্চলৰ দিখৌ নৈৰ ঘাটত কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে দশভূজাৰ প্ৰতিমা বিসৰ্জন পৰ্ব অনুষ্ঠিত হয়। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ১৯ খন পূজা মণ্ডপৰ মৃণ্ময় মূৰ্তিসমূহ নিৰাপদভাৱে বিসৰ্জন দিয়া হয়।

**ডিব্ৰুগড়** জিলা প্ৰশাসনে জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কাছাৰীঘাটত দেৱী বিসৰ্জনৰ ব্যৱস্থা কৰিছে। জিলাখনৰ নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, টেঙাঘাট, চাবুৱা, টিংখাং আদি অঞ্চলৰ পূজা সমিতিসমূহে দিহিং, চেঁচাকে ধৰি নদীসমূহত মৃণ্ময় মূৰ্তিসমূহ বিসৰ্জন দিয়ে।

**যোৰহাট** জিলাৰ পূজাডুবি বিসৰ্জন ঘাটত কটকটীয়া নিৰাপত্তাৰ মাজেৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে **ধেমাজি**তো শান্তিপূৰ্ণভাৱে বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। তেলিজান নৈৰ ঘাট, জোনাইৰ তিনিমাইল, ঐৰামঘাট, লিকাবালি, সোৱণশিৰিৰ ঘাটত কেইবাখনো মণ্ডপৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়।

**ডিমা হাচাওৰ** হাফলঙতো যথা ৰীতি-নীতিৰে বিজয়া দশমী উদযাপন কৰা হয়। জিলাখনৰ প্ৰায় ২০ খন পূজা সমিতিয়ে শোভাযাত্ৰাৰ অন্তত দিয়ুং নৈত প্ৰতিমাসমূহ বিসৰ্জন দিয়ে।

**কাছাৰ** জিলাতো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্ব অব্যাহত আছে। শিলচৰৰ সদৰঘাট বিসৰ্জনস্থলীত বৰাক নৈত পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হৈছে। ইয়াৰ আগেয়ে মহিলাসকলে পৰস্পৰক মিঠাই খুৱাই সেন্দূৰ খেলি স্বামীৰ দীৰ্ঘায়ু কামনা কৰে। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ এহেজাৰ ৫৯২ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন কৰা হৈছে। বিশেষ তদন্তকাৰী গোটে পূৰ্বে চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰ গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১০৫ আৰু ১০৬ ধাৰা সংযোজন কৰিছিল। দুয়ো প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছত বিশেষ তদন্তকাৰী গোটে ১০৩ ধাৰা সংযোজন কৰে। আইনজ্ঞৰ মতে এই ধাৰাত যিকোনো অভিযুক্ত লোক দোষী সাব্যস্ত হ'লে যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰে দণ্ডিত হ'ব পাৰে। ইপিনে এছ আই টিয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জেৰা অব্যাহত ৰাখিছে। সিদ্ধাৰ্থ শৰ্মাৰ পৰা তদন্তকাৰী গোটে জুবিন গাৰ্গৰ মোবাইল আৰু এটা বেগ জব্দ কৰিছে। এই বেগটোৰ পৰা কেতবোৰ টেবলেট আৰু নথিপত্ৰ উদ্ধাৰ কৰা হৈছে। এই টেবলেটসমূহ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি আৰক্ষীৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ মাজতে তদন্তকাৰী গোটে আজি পুনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গ আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। গুৱাহাটীৰ উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত মুখ্য তদন্তকাৰী বিষয়া ৰ'জী কলিতাই ঘটনা সন্দৰ্ভত তিনিওকে জেৰা কৰে।

ছিংগাপুৰত সম্পন্ন হোৱা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰয়াত শিল্পীগৰাকীৰ পৰিয়ালক অৰ্পণ কৰা হ'ব বুলি আজি বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই মন্তব্য কৰে। ছিংগাপুৰৰ নিজা নিয়ম অনুসৰি এই পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহয় বুলি তেওঁ কয়। ছিংগাপুৰ কৰ্তৃপক্ষই সমগ্ৰ বিষয়টোক লৈ শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰিছে বুলিও তেওঁ কয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এতিয়ালৈ আহি পোৱা নাই বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

প্ৰাণৰ শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ তদন্তৰ বাবে অসম আৰক্ষীৰ দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি তেওঁ মন্তব্য কৰে। ছিংগাপুৰ প্ৰশাসনৰ পৰা অনুমতি লাভ কৰাৰ পাছতে আৰক্ষীৰ দলটো অসমৰ পৰা ছিংগাপুৰলৈ ৰাওনা হ'ব বুলি তেওঁ কয়।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন কৰা হৈছে। বিশেষ তদন্তকাৰী গোটে পূৰ্বে চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰ গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১০৫ আৰু ১০৬ ধাৰা সংযোজন কৰিছিল। দুয়ো প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছত বিশেষ তদন্তকাৰী গোটে ১০৩ ধাৰা সংযোজন কৰে। আইনজ্ঞৰ মতে এই ধাৰাত যিকোনো অভিযুক্ত লোক দোষী সাব্যস্ত হ'লে যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰে দণ্ডিত হ'ব পাৰে। ইপিনে এছ আই টিয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জেৰা অব্যাহত ৰাখিছে। সিদ্ধাৰ্থ শৰ্মাৰ পৰা তদন্তকাৰী গোটে জুবিন গাৰ্গৰ মোবাইল আৰু এটা বেগ জব্দ কৰিছে। এই বেগটোৰ পৰা কেতবোৰ টেবলেট আৰু নথিপত্ৰ উদ্ধাৰ কৰা হৈছে। এই টেবলেটসমূহ পৰীক্ষাৰ বাবে প্ৰেৰণ

কৰা হ'ব বুলি আৰক্ষীৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ মাজতে তদন্তকাৰী গোটে আজি পুনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গ আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। গুৱাহাটীৰ উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত মুখ্য তদন্তকাৰী বিষয়া ৰ'জী কলিতাই ঘটনা সন্দৰ্ভত তিনিওকে জেৰা কৰে।

ছিংগাপুৰত সম্পন্ন হোৱা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰয়াত শিল্পীগৰাকীৰ পৰিয়ালক অৰ্পণ কৰা হ'ব বুলি আজি বিশেষ তদন্তকাৰী গোটৰ মুৰববী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই মন্তব্য কৰে। ছিংগাপুৰৰ নিজা নিয়ম অনুসৰি এই পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহয় বুলি তেওঁ কয়। ছিংগাপুৰ কৰ্তৃপক্ষই সমগ্ৰ বিষয়টোক লৈ শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰিছে বুলিও তেওঁ কয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এতিয়ালৈ আহি পোৱা নাই বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

প্ৰাণৰ শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ তদন্তৰ বাবে অসম আৰক্ষীৰ দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি তেওঁ মন্তব্য কৰে। ছিংগাপুৰ প্ৰশাসনৰ পৰা অনুমতি লাভ কৰাৰ পাছতে আৰক্ষীৰ দলটো অসমৰ পৰা ছিংগাপুৰলৈ ৰাওনা হ'ব বুলি তেওঁ কয়।

ooooo

সমাপ্ত